**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-03-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

## HEADLINES

১। ছটালেনযুক্ত গুৱাহাটী বাইপাছৰ অংশ হিচাপে ইতিমধ্যে নিৰ্মাণ সম্পূৰ্ণ হোৱা বশিষ্ঠ উৰণ সেতু আৰু জয়ানগৰ ভি ইউ পিৰ আজি আনুষ্ঠানিকভাৱে মুকলি।

২। গুণোৎসৱ ২০২৪ৰ আজি ফলাফল ঘোষণাৰ লগতে গুণোৎসৱ ২০২৩ত এ প্লাছ গ্ৰেড পোৱা ১২ হাজাৰ ৪৭খন বিদ্যালয়লৈ উদগনীমূলক অনুদান বিতৰণ।

৩। সমাগত লোকসভা নিৰ্বাচনৰ বাবে ভাৰতীয় জনতাপাৰ্টীৰ কালি ৭২ জনীয়া আন এখন তালিকা প্ৰকাশ।

৪। বৰপেটাৰ পৌৰ সভাৰ খেলপথাৰত আজি কেন্দ্ৰীয় প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙৰ জনসভা সম্বোধনেৰে সমাগত লোকসভা নিৰ্বাচনৰ প্ৰচাৰ। ***আৰু***

৫। নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে ডেলহি কেপিটেলছৰ ৭ উইকেটত জয়লাভ।

০০০০০০০

ছটালেনযুক্ত গুৱাহাটী বাইপাছৰ অংশ হিচাপে ইতিমধ্যে নিৰ্মাণ সম্পূৰ্ণ হোৱা বশিষ্ঠ উৰণ সেতু আৰু জয়ানগৰ ভি ইউ পি তথা ৰাজপথৰ তলেৰে যানবাহন চলাচল কৰা পথৰ আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই  দিনৰ ১১ বজাত বশিষ্ঠ উৰণ সেতুত উপস্থিত থাকি দুয়োটা প্ৰকল্প মুকলি কৰিব। ভাৰতমালা পৰিযোজনাৰ প্ৰকল্প হিচাপে বশিষ্ঠ উৰণ সেতু আৰু জয়ানগৰ ভি ইউ পিৰ বৰ্তমানৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথক ছয়লেনযুক্ত কৰিছে। ৪৭ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰি উলিওৱা এই প্ৰকল্পৰ জৰিয়তে চহৰৰ যান-জঁটৰ সমস্যা, ইন্ধনৰ ব্যয়, বায়ু আৰু শব্দ প্ৰদূষণ হ্ৰাস কৰাৰ লগতে এই পথেৰে গুৱাহাটীৰ পৰা বিমানবন্দৰলৈ যাত্ৰাৰ সময়ো হ্ৰাস পাব।০০০০০

০০০০০

গুণোৎসৱ ২০২৪ৰ আজি ফলাফল ঘোষণাৰ লগতে গুণোৎসৱ ২০২৩ত এ প্লাছ গ্ৰেড পোৱা ১২ হাজাৰ ৪৭খন বিদ্যালয়লৈ আনুষ্ঠানিকভাৱে উদগনীমূলক অনুদান বিতৰণ কৰা হ'ব। কিছু সময়ৰ পাছতে গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত আৰম্ভ হ'বলগীয়া অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ লগতে শিক্ষামন্ত্ৰী ৰণোজ পেগু সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানতে ২০২৩ত এ গ্ৰেড প্লাছ গ্ৰেড পোৱা ১২ হাজাৰ ৪৭খন বিদ্যালয়লৈ শৈক্ষিক উৎকৰ্ষতাৰ বাবে ৩০ কোটি ১১ লাখ ৭৫ হাজাৰ টকাৰ আৰ্থিক অনুদান আগবঢ়োৱা হ'ব। আনহাতে এই অনুষ্ঠানতে সংখ্যালঘু সম্প্ৰদায়ৰ কন্যা শিক্ষাৰ্থীসকলৰ সৱলীকৰণৰ বাবে অসমৰ সকলো চৰকাৰী প্ৰাদেশীকৃত ব্যক্তিগত আৰু স্বীকৃতিপ্ৰাপ্ত বা অনুমোদিত মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ৩৪ হাজাৰ ২৬৭ গৰাকী শিক্ষাৰ্থীক ১০ কোটি ৭৯ লাখ ৭২ হাজাৰ ৬২৫ টকা বৃত্তি প্ৰদান কৰা হ'ব। সকলোৰে বাবে শিক্ষাৰ সমৰ্থনত ২০২২-২৩ বৰ্ষৰ প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত  তিনি লাখ ১১ হাজাৰ ৩০০ গৰাকী ছাত্ৰ-ছাত্ৰীক মাচুল ৰেহাই, মেচ খৰচ আৰু অন্যান্য অনুদানৰ বাবদ ১১৮ কোটি ৩ লাখ ৯৩ হাজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। আনহাতে উচ্চ শিক্ষা বিভাগৰ অধীনত ৯২ গৰাকী সহকাৰী অধ্যাপক আৰু ৩৭ গৰাকী তৃতীয় বৰ্গৰ কৰ্মচাৰীক নিযুক্তিপত্ৰ বিতৰণ কৰা হ'ব।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত চলি থকা বিকাশ যাত্ৰাৰ অংশ হিচাপে আজি কামৰূপ জিলাৰ শুৱালকুছি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ১০০ খন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। শুৱালকুছিত চাৰে ১২ বজাত আৰম্ভ হ'বলগীয়া শিলান্যাস কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ লগতে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তও উপস্থিত থাকিব। ৪৪ কোটি ৮৫ লাখ ১১ হাজাৰ টকা ব্যয়ৰে প্ৰকল্পটোৰ নিৰ্মাণ কৰি উলিওৱা হ'ব। ইয়াৰ উপৰি মুখ্যমন্ত্ৰীয়ে শুৱালকুছি সাঁতোৰ প্ৰশিক্ষণ কেন্দ্ৰ আৰু শুৱালকুছি আদৰণি তোৰণো মুকলি কৰাৰ লগতে শুৱালকুছি মহাবিদ্যালয় প্ৰেক্ষাগৃহৰো আধাৰশিলা স্থাপন কৰিব।

০০০০০

কৃষকৰ আয় বৃদ্ধিৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে ন্যূনতম সমৰ্থিত মূল্যত দ্বিতীয় বাৰৰ বাবে সৰিয়হ ক্ৰয় কৰিব। কাইলৈৰ পৰা অহা ১৫ জুনলৈ কৃষকৰ পৰা সৰিয়হ ক্ৰয় কৰা হ'ব। কৃষি বিভাগে অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপণন পৰিষদ আৰু অসম খাদ্য আৰু অসামৰিক যোগান নিগম পৰিসীমিতৰ জৰিয়তে এই সৰিয়হ ক্ৰয় কৰিব। প্ৰতি কুইণ্টলত ধাৰ্য্য কৰা ন্যূনতম সমৰ্থন মূল্য হৈছে ৫ হাজাৰ ৬৫০ টকা। কৃষকসকলে অসমৰ বিভিন্ন জিলাত থকা সৰিয়হ ক্ৰয় কেন্দ্ৰসমূহত উৎপাদিত সৰিয়হ বিক্ৰী কৰিব পাৰিব। বিক্ৰীৰ বাবে কৃষকসকল সংশ্লিষ্ট প'ৰ্টেলত পঞ্জীয়নভুক্ত হোৱাটো বাধ্যতামূলক। তেওঁলোকে জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ পৰা কৃষক প্ৰমাণ পত্ৰ সংগ্ৰহ কৰিব লাগিব। তদুপৰি আধাৰকাৰ্ড, বেংক পাছবুকৰ প্ৰতিলিপি আৰু মোবাইল নম্বৰ সংশ্লিষ্ট বিষয়াৰ ওচৰত জমা দিব লাগিব।

সবিশেষ জানিবৰ বাবে জিলা কৃষি তথা কৃষি উন্নয়ন বিষয়া, অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপণন পৰিষদৰ সহকাৰী বাণিজ্য বিষয়া নাইবা নিয়ন্ত্ৰিত বজাৰ সমিতিৰ সংশ্লিষ্ট সচিবৰ সৈতে যোগাযোগ কৰিব পাৰিব।

০০০০০

আয়ুষ্মান ভাৰত ডিজিটেল মিছনৰ জৰিয়তে ১৭৭ লাখতকৈও অধিক আভা আইডি পঞ্জীয়ন কৰা হৈছে। আয়ুষ্মান ভাৰত ডিজিটেল মিছন **এ বি ডি এম**-ৰ লক্ষ্য হৈছে দেশৰ স্বাস্থ্য সেৱা আন্তঃগাঁথনিক ডিজিটেল মাধ্যমৰ যোগেদি একত্ৰিত কৰি প্ৰয়োজনীয় আন্তঃগাঁথনি বিকশাই তোলা। তদুপৰি, ডিজিটেল মাধ্যমৰ জৰিয়তে স্বাস্থ্য সেৱাৰ পৰিৱেশ সহজলভ্য কৰি ইয়াৰ লগত জড়িত বিভিন্ন অংশীদাৰৰ মাজত ব্যৱধান দূৰ কৰাৰ বাবেও প্ৰয়াস কৰা হৈছে। আয়ুষ্মান ভাৰত হেলথ একাউণ্ট আভা সৃষ্টিৰ বাবে এটা নম্বৰৰ সৈতে এজন ব্যক্তিৰ সকলো স্বাস্থ্য সম্বন্ধীয় নথি সংলগ্ন কৰিব পৰা যায়। আভা একাউণ্ট খোলাৰ বাবে কেৱল আধাৰ নম্বৰ আৰু মোবাইল নম্বৰৰ প্ৰয়োজন হয়। ইচ্ছুক ব্যক্তিয়ে নিকটতম আয়ুষ্মান আৰোগ্য মন্দিৰত অথবা abha.abdm.gov.in-ত ক্লিক কৰি আভা আইডি সৃষ্টি কৰিব পাৰে।

০০০০০

আজি বিশ্ব বৃক্ক দিৱস। বৃক্কৰ স্বাস্থ্য আৰু অংগটোৰ স্বাভাৱিক কাম-কাজ প্ৰভাৱিত কৰিব পৰা বিভিন্ন ৰোগৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতিবছৰে মাৰ্চৰ দ্বিতীয় বৃহস্পতিবাৰে এই দিৱস পালন কৰা হয়। এই বছৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে- কিডনী হেলথ ফ'ৰ অল অৰ্থাৎ সকলোৰে বাবে বৃক্কৰ স্বাস্থ্য। ইয়াৰ জৰিয়তে গুৰুতৰ বৃক্ক ৰোগৰ বৰ্ধিত আশংকা আৰু বিভিন্ন পৰ্যায়ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা বাবে বৃক্কৰ সৰ্বোতকৃষ্ট যতনত গুৰুত্ব আৰোপ কৰা হৈছে। বৃক্ক শৰীৰৰ এটা গুৰুত্বপূৰ্ণ অংগ আৰু ই বিষাক্ত পদাৰ্থসমূহ শৰীৰৰ পৰা বাহিৰলৈ উলিয়াই দি শৰীৰটোক সুস্থ-সবল কৰি ৰখাত সহায় কৰে। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত নতুন দিল্লীৰ অখিল ভাৰত আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ বৃক্কৰোগ বিভাগৰ মুৰববী ডাঃ দীপাংকৰ ভৌমিকে কয় যে, বৃক্কৰোগৰ লক্ষণসমূহৰ ভিতৰত ভৰি ফুলা, উচ্চ ৰক্তচাপ, শৰীৰত হিম'গ্লবিনৰ মাত্ৰা কম হোৱা আৰু হাড় দুৰ্বল হোৱা অন্যতম। তেওঁ লগতে প্ৰাৰম্ভিক অৱস্থাতে বৃক্কৰ ৰোগ ধৰা পেলোৱাৰ বাবে নিয়মীয়া স্বাস্থ্য পৰীক্ষা কৰাৰ বাবে জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। বৃক্কৰ ৰোগ প্ৰতিৰোধৰ বাবে নিয়মীয়াভাৱে শাৰিৰীক ব্যায়াম, সুষম আহাৰ, ওজন নিয়ন্ত্ৰণত ৰখা আৰু নিমখ সেৱন সীমিত কৰিবলৈও তেওঁ পৰামৰ্শ দিয়ে।

০০০০০

ভাৰতীয় জনতা পাৰ্টীয়ে কালি সমাগত লোকসভা নিৰ্বাচনৰ বাবে ৭২ গৰাকী প্ৰাৰ্থীৰ আন এখন তালিকা প্ৰকাশ কৰে। সেই অনুসৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে হিমাচল প্ৰদেশৰ হামিৰপুৰ লোকসভা আসনখনৰ পৰা প্ৰতিদ্বন্দিতা কৰিব। কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে নাগপুৰ আৰু মন্ত্ৰী পিয়ুছ গোৱেলে উত্তৰ মুম্বাই আৰু ডাঃ ভাৰতী প্ৰবীণ পাৱাৰে মহাৰাষ্ট্ৰৰ দিন্দোৰী লোকসভা আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশী ধাৰৱাড় লোকসভা সমষ্টিৰ পৰা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। একেদৰে হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মনোহৰ লাল খাট্টাৰে কৰ্ণাল, কেন্দ্ৰীয় মন্ত্ৰী কৃষণ পাল গুৰ্জৰে ফৰিদাবাদ আৰু কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বাসৱৰাজ বুম্মাইয়ে হাভেৰী আসনখনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব।

দলটোৱে দিল্লীৰ বাকী থকা আসন দুখনৰ বাবে প্ৰাৰ্থীৰ নাম প্ৰকাশ কৰিছে। তালিকা অনুসৰি পূব দিল্লীত হৰ্ষ মলহোত্ৰাক আৰু উত্তৰ পশ্চিম দিল্লীত যোগেন্দ্ৰ চাণ্ডোলিয়াক প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে। তালিকাত মহাৰাষ্ট্ৰ আৰু কৰ্ণাটকৰ ২০ খনকৈ, হাৰিয়ানা আৰু তেলেংগানাৰ ৬ খনকৈ, গুজৰাটৰ ৭খন, মধ্য প্ৰদেশৰ ৫ খন, দিল্লী,হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ দুখনকৈ আৰু ত্ৰিপুৰা আৰু দাদ্ৰা আৰু নগৰ হাভেলীৰ একোখনকৈ আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীৰ নাম সন্নিৱিষ্ট কৰা হৈছে।

দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ অধ্যক্ষতাত অনুষ্ঠিত বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন কমিটীৰ এখন বৈঠকত প্ৰাৰ্থীসকলৰ নাম চূড়ান্ত কৰা হয়।

ইপিনে, বিজেপিয়ে অৰুণাচল প্ৰদেশৰ বিধানসভা নিৰ্বাচনৰ বাবে ৬০ জনীয়া প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে মুক্ত' সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। একেদৰে উপ-মুখ্যমন্ত্ৰী চাওনা মেইনে ছাওখাম আসনখনৰ পৰা প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। বিধানসভাৰ অধ্যক্ষ পাছান দৰ্জী চ'নাই মেচুকা আসনৰ পৰা আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী নিনং এৰিঙে পাছিঘাট পশ্চিম সমষ্টিৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে বৰ্তমানৰ অৰুণাচল চৰকাৰৰ কাৰ্যকাল অহা ২ জুনত উকলি যাব। ইয়াৰ পৰিপ্ৰেক্ষিতত লোকসভা নিৰ্বাচনৰ সমান্তৰালকৈ ৰাজ্যখনত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ বাবে বিধায়ক মনোৰঞ্জন তালুকদাৰক চি পি আই (এম)-এ বৰপেটা সমষ্টিৰ পৰা প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। আনহাতে, অসম জাতীয় পৰিষদৰ নেতা দুলু আহমেদে এখন সংবাদমেল যোগে এই সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা ঘোষণা কৰিছে। ইপিনে, কংগ্ৰেছ দলৰ হৈ দ্বীপ বায়নে লোকসভা নিৰ্বাচনত এই সমষ্টিটোৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

কোকৰাঝাৰ সমষ্টিত ইউ পি পি এল দলৰ প্ৰাৰ্থী হিচাপে চিদলীৰ বিধায়ক জয়ন্ত বসুমতাৰীৰ নাম ঘোষণা কৰা হৈছে।

০০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি বৰপেটাত এখন বৃহৎ জনসভাত অংশগ্ৰহণ কৰিব। বৰপেটা পৌৰসভা খেলপথাৰত আয়োজিত এই সভাৰ বাবে সকলো প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে। বিয়লি ৩ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া জনসভাৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকী হেলিক'প্টাৰেৰে আহি বৰপেটাৰ ছায়াৰাম ছোৱালী শিক্ষানুষ্ঠানৰ খেলপথাৰত সজা অস্থায়ী হেলিপেডত অৱতৰণ কৰিব। তাৰপৰা তেওঁ পোনেপোনে বৰপেটা কীৰ্ত্তন ঘৰলৈ যাব। ইয়াৰ পাছতে শ্ৰীসিঙে জনসভাক সম্বোধন কৰিব। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীৰ আগমনৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ বৰপেটাত ব্যাপক নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। এই জনসভাত মন্ত্ৰী তথা অগপৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীকে ধৰি ভালেমান গণ্য-মান্য ব্যক্তি উপস্থিত থাকিব।

০০০০০

অসম লোকসেৱা আয়োগৰ চলিত বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষা অহা ১৮ মাৰ্চত অনুষ্ঠিত হ'ব। ৰাজ্যৰ অন্যান্য কেন্দ্ৰৰ লগতে লখিমপুৰ জিলাৰ উত্তৰ লখিমপুৰ মহাবিদ্যালয়, লখিমপুৰ বাণিজ্য মহাবিদ্যালয় আৰু লখিমপুৰ বালিকা মহাবিদ্যালয়ত স্থাপন কৰা কেন্দ্ৰত পুৱা ১০ বজাৰ পৰা ১২ বজালৈ আৰু আবেলি ২ বজাৰ পৰা ৪ বজালৈ অনুষ্ঠিত হ'ব। ইয়াৰ বাবে পৰীক্ষা কেন্দ্ৰকেইটাত ১৪৪ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। নিষেধাজ্ঞা উলংঘা কৰা লোকৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

ooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চোৱাৰ লগতে applications.prasarbharati.org ত আবেদন কৰিব পাৰে। আবেদন পত্ৰ দাখিলৰ অন্তিম দিন ১৯ মাৰ্চ ধাৰ্য্য কৰা হৈছে।

ooooo

ডেলহি কেপিটেলছে যোৱা নিশা নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত গুজৰাট জায়েণ্টছক ৭ উইকেটত পৰাস্ত কৰে। ডেলহি কেপিটেলছে ১২৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৩ অ'ভাৰ আৰু এটা বলত তিনিটা উইকেট হেৰুৱাই ১২৯ ৰান কৰে।ইয়াৰ পূৰ্বে গুজৰাট জায়েণ্টছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অ'ভাৰত ৯ উইকেটৰ বিনিময়ত ১২৬ ৰান সংগ্ৰহ কৰিছিল।

ooooo

সমাগত লোকসভা নিৰ্বাচনত যোৰহাট সমষ্টিত কংগ্ৰেছৰ গৌৰৱ গগৈ আৰু বিজেপিৰ তপন কুমাৰ গগৈয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। **অসমীয়া প্ৰতিদিন কাকতে** যোৰহাটত সৰৱ বনাম নীৰৱ সাংসদৰ যুঁজ শিৰোনামেৰে এই বাতৰি প্ৰকাশ কৰিছে।

লোকসভা নিৰ্বাচনক কেন্দ্ৰ কৰি বিজেপিয়ে দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা কালি ঘোষণা কৰিছে। কৰ্ণাটক, মহাৰাষ্ট্ৰ, মধ্য প্ৰদেশ, ত্ৰিপুৰা, দাদ্ৰা আৰু নগৰ হাভেলী, দমন দিউ, দিল্লী, গুজৰাট, হাৰিয়ানা, হিমাচল প্ৰদেশ, তেলেংগানা আৰু উত্তৰাখণ্ডৰ মুঠ ৭২ গৰাকী প্ৰাৰ্থীৰ নাম এই তালিকাত আছে। এয়া **দৈনিক অগ্ৰদূত কাকত**ৰ শীৰ্ষ বাতৰি।

জাগীৰোডৰ লগতে গুজৰাটৰ ছানান্দ আৰু ঢলেৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ছেমি কণ্ডাক্টৰ আৰু পৰীক্ষণ কেন্দ্ৰৰ ভাৰ্চুৱেলী আধাৰশিলা স্থাপন কৰে। এই বাতৰি **দ্যা চেণ্টিনেল কাকতে** গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে নিয়মীয়া বাৰ্তা কাকতে **জাগীৰোডত টাটাৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ শিলান্যাস মোদীৰঃ অসমৰ ঔদ্যোগিক ইতিহাসৰ সোণোৱালী ক্ষণ** শিৰোনামেৰে প্ৰকাশ কৰিছে।

ইলেক্ট'ৰেল বণ্ড সম্পৰ্কীয় তথ্য নিৰ্বাচন আয়োগৰ ওচৰত দাখিল কৰাৰ এদিনৰ পাছত কালি ভাৰতীয় ষ্টেট বেংকে উচ্চতম ন্যায়ালয়ত শপতনামা দাখিল কৰে। এই শপতনামাত উল্লেখ কৰা হৈছে যে, উচ্চতম ন্যায়ালয়ে ১১ মাৰ্চত দিয়া নিৰ্দেশ অনুসৰি ইলেক্ট'ৰেল বণ্ড সম্পৰ্কীয় সকলো তথ্য নিৰ্বাচন আয়োগক হাতে হাতে প্ৰদান কৰা হৈছে। এয়া **দৈনিক অসম কাকত**ৰ শীৰ্ষ বাতৰি। একেটা বাতৰিকে **দি আছাম ট্ৰিবিউন কাকতে** প্ৰথম পৃষ্ঠাতত স্থান দিছে।

**আমাৰ অসম কাকতত** ১৩ লাখ টকা উৎকোচ লৈ পল্টন বজাৰ থানাৰ সহকাৰী উপ পৰিদৰ্শক কৃষ্ণনন্দ উপাধ্যায়ক গ্ৰেপ্তাৰ হোৱাৰ বাতৰি প্ৰকাশ হৈছে।

ৰাজ্যৰ শিক্ষকসকলক দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি ইতিবাচক সঁহাৰি জনাই বিদ্যালয় শিক্ষা বিভাগে শিক্ষকসকলৰ আৰ্জিত ছুটীৰ সংখ্যা বৃদ্ধি কৰা বিষয়টো চালি-জাৰি চোৱাৰ বাবে এখন উচ্চস্তৰীয় কমিটী গঠন কৰিছে । এয়া **অসমীয়া খবৰ কাকতত** প্ৰকাশিত বাতৰি।

কালি ভাৰতীয় ষ্টক মাৰ্কেটত বিনিয়োগকাৰীৰ ১৪ লাখ কোটি টকা লোকচান হোৱাৰ বাতৰি দৈনিক জনমভূমি কাকতত প্ৰকাশ হৈছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে- আলমগঞ্জত ধন লৈ গ্ৰেপ্তাৰ পঞ্চায়ত সচিব, কংগ্ৰেছ নেতা সুৰুষ দিহিঙীয়া-মঞ্জুশ্ৰী পাঠকৰ পদত্যাগ,। এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিৰ চমু অৱলোকন।

ooooo

**সমাপ্ত**